Jawaharlal Nehru College Library
Estd.-1984
Boko Dist. Kamrup

2023

HISTORY

(Skill Enhancement Course)

Paper : HIS–SE–3014

(Historical Tourism in North-East India)

Full Marks : 50

Time : 2 hours

The figures in the margin indicate full marks for the questions

Answer either *in English* or *in Assamese*

1. Write True or False : 1×4=4
সত্য নে অসত্য লিখা :

(a) Persons coming to establish residence in a country are tourists.
কোনো এখন দেশলৈ বসবাস কৰিবলৈ অহা ব্যক্তিসকল পৰ্যটক।

(b) Students and young persons staying in boarding establishments of schools/colleges are tourists.
বিদ্যালয়/মহাবিদ্যালয়ৰ ছাত্রাৱাসত থকা ছাত্র-ছাত্রী আৰু যুৱকসকল পৰ্যটক।

(c) Persons travelling for business purposes are not tourists.
যিসকল লোক ব্যৱসায়িক কাৰণত ভ্রমণ কৰে তেওঁলোক পৰ্যটক নহয়।

(d) Golden Mahseer is a fish generally found in the river Jia Bharali located in Assam.

সোণালী মাচীৰ মাছ সাধাৰণতে অসমৰ জীয়া ভৰলী নদীত পোৱা যায়।

2. Answer in brief : 2×3=6
চমু উত্তৰ দিয়া :

(a) Where is Mokokchung situated? Name the dominating community that lives in Mokokchung.

মুককচুং ক'ত অৱস্থিত? মুককচুং অঞ্চলৰ মুখ্য সম্প্রদায়টোৰ নাম লিখা।

(b) What is 'adventure tourism'?

'দুঃসাহসিক পৰ্যটন' কাক বোলে?

(c) Write the myth of the Tripureswari Temple connected with God Shiva.

ত্রিপুৰেশ্বৰী দেৱালয় আৰু ভগৱান শিৱ সম্পৰ্কে প্রচলিত ৰূপকথাৰ উল্লেখ কৰা।

3. Write short notes on any *two* of the following : 5×2=10
তলত দিয়াবোৰৰ পৰা যি কোনো দুটাৰ ওপৰত চমু টোকা লিখা :

(a) Pobitora National Park/পবিতৰা ৰাষ্ট্রীয় উদ্যান

(b) Kati Bihu/কাতি বিহু

(c) Agnigarh/অগ্নিগড়

(d) Mopin Festival/ম'পিন উৎসৱ

4. Answer any *three* of the following questions : 10×3=30
তলৰ প্রশ্নসমূহৰ পৰা যি কোনো তিনিটাৰ উত্তৰ লিখা :

(a) What is tourism? How can tourism industry become a hub for providing employment to the masses?

পৰ্যটন কাক বোলে? পৰ্যটন উদ্যোগে কেনেদৰে সৰ্বসাধাৰণৰ মাজত নিয়োগ সুবিধা সৃষ্টি কৰিব পাৰে, আলোচনা কৰা।

(b) Discuss the diversity of Kaziranga National Park in the field of flora and fauna with special reference to its Rhino habitation. Write a brief note on the threats faced by Rhinoceros along with the conservation steps.

গড়ৰ উৎকৃষ্ট বাসভূমি বিষয়টোক বিশেষভাৱে উল্লেখ কৰি কাজিৰঙাৰ বৈচিত্র্যময় উদ্ভিদ আৰু জীৱকুলৰ ওপৰত এটি পৰ্যালোচনা আগবঢ়োৱা। গড় সংৰক্ষণৰ বিভিন্ন পদক্ষেপসমূহৰ লগতে গড়সমূহে সম্মুখীন হোৱা ভাবুকিৰ বিষয়ে এটি চমু টোকা লিখা।

(c) What is the term 'Meghalaya' mean? Estimate the potentiality of Shillong and Cherrapunji as a tourist hub of North-East India.

মেঘালয় মানে কি? উত্তৰ-পূৰ্বাঞ্চলৰ পৰ্যটন কেন্দ্র হিচাপে চিলং আৰু চেৰাপুঞ্জীৰ প্রচুৰ সম্ভাৱনাৰ বিষয়ে এটি আভাস দাঙি ধৰা।

(d) Write a note on the historicity of Tawang. Discuss the importance of Tawang as a tourist place of Arunachal Pradesh.

টাৱাঙৰ ঐতিহাসিকতা সম্পৰ্কিত এটি টোকা লিখা। অৰুণাচলপ্ৰদেশৰ পৰ্যটনক্ষেত্ৰ হিচাপে টাৱাঙৰ গুৰুত্ব বিচাৰ কৰা।

(e) "Over the years, North Guwahati has seen many religious sites such as Doul Govinda, Aswaklanta, Auniati Satra and so many others. These entire tourist attractions make North Guwahati a very amazing tourist site to explore." Give your own views to justify the opinion.

"সময়ৰ সোঁতত, উত্তৰ গুৱাহাটীত দৌল গোবিন্দ, অশ্বক্লান্ত, আউনীআটী সত্ৰকে আদি কৰি বহু কেইখন ধৰ্মীয় অনুষ্ঠান গঢ়ি উঠিছে। এই সমগ্ৰ পৰ্যটন আকৰ্ষণসমূহে উত্তৰ গুৱাহাটীক অনুসন্ধান কৰিবলগীয়া এখন আকৰ্ষণীয় পৰ্যটনক্ষেত্ৰলৈ ৰূপান্তৰিত কৰিছে।" এই মতামতৰ ন্যায্যতা সম্পৰ্কত তোমাৰ যুক্তি দিয়া।

(f) If you are asked to make a tour plan to Tripura, what are the tourist places you will incorporate and how will you explain before the tourists?

তোমাক যদি ত্ৰিপুৰাৰ এটি ভ্ৰমণসূচী তৈয়াৰ কৰিবলৈ কোৱা হয়, তেতিয়া তুমি কোনকেইটা পৰ্যটনক্ষেত্ৰ দেখুৱালৈ বিচাৰিবা আৰু কেনেদৰে এই ক্ষেত্ৰসমূহৰ বিৱৰণ দিবা?

★★★